# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 17-10-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*

**- - - - - - - - - - - - - - -**

১। অসমত বিদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষ ১৯৭১ চন বাহাল থাকিব বুলি উচ্চতম ন্যায়ালয়ৰ ৰায়দান।

২। সৰ্বোচ্চ ন্যায়ালয়ৰ ৰায়দানক লৈ বিভিন্ন দল-সংগঠনৰ আদৰণি।

৩। সমগ্ৰ ৰাজ্যত পৰম্পৰাগত ৰীতি নীতিৰে কাতি বিহু পালন। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ বিহুৰ শুভেচ্ছা জ্ঞাপন।

*আৰু*

৪। বেংগালুৰু টেষ্টত ভাৰতৰ বিৰুদ্ধে নিউজিলেণ্ডৰ শক্তিশালী স্থিতি।

০০০০০

উচ্চতম ন্যায়ালয়ে আজি অসমত বিদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষ ১৯৭১ চন বাহাল থাকিব বুলি ৰায়দান কৰে। নাগৰিকত্ব আইনৰ ৬(ক) নম্বৰ দফা অনুসৰি সৰ্বোচ্চ ন্যায়ালয়ে এই ৰায় প্ৰদান কৰে। অসম সন্মিলিত মহাসংঘৰ আবেদনৰ ভিত্তিত ন্যায়ালয়ে এই গোচৰটোৰ শুনানি গ্ৰহণ কৰিছিল। মুখ্য ন্যায়াধীশ, ন্যায়াধীশ ডি ৱাই চন্দ্ৰচুড়ৰ নেতৃত্বত পাঁচজনীয়া বিচাৰপীঠে আজি এই ৰায়দান কৰে। মুখ্য ন্যায়াধীশগৰাকীয়ে এই সন্দৰ্ভত কয় যে অসম চুক্তি ৰাজ্যখনলৈ বিদেশী নাগৰিকৰ অবৈধ প্ৰব্ৰজনৰ এটা ৰাজনৈতিক সমাধান আছিল। উল্লেখযোগ্য যে বিচাৰপীঠখনৰ চাৰিগৰাকী ন্যায়াধীশে ইয়াৰ সপক্ষে ৰায়দান কৰাৰ বিপৰীতে এগৰাকী ন্যায়াধীশে বিৰুদ্ধে মত পোষণ কৰে।

ইপিনে উচ্চতম ন্যায়ালয়ৰ এই ৰায়দানৰ পাছতেই ৰাজ্যজুৰি বিভিন্ন দল-সংগঠনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। সদৌ অসম ছাত্ৰ সন্থাৰ সদস্যসকলে সৰ্বোচ্চ ন্যায়ালয়ৰ এই ৰায়দানক আৰদণি জনাই আনন্দ প্ৰকাশ কৰে।

অসম গণ পৰিষদৰ সভাপতি তথা ৰাজ্যৰ কৃষি মন্ত্ৰী অতুল বৰাই উচ্চতম ন্যায়ালয়ৰ ৰায়দানক আদৰণি জনাইছে। এই সন্দৰ্ভত সভাপতি শ্ৰী বৰাই এইদৰে কয়-

**-বাইট-**

ৰাজ্যিক বিজেপিৰ মুখ্য মুখপাত্ৰ মনোজ বৰুৱাই বিদেশী নাগৰিকৰ চিনাক্তকৰণৰ ভিত্তিবৰ্ষ ১৯৭১ চন বাহাল ৰখাৰ সিদ্ধান্তক আদৰণি জনাই এইদৰে কয়-

**-বাইট-**

আনহাতে, গোচৰটোৰ ৰায়দান সন্দৰ্ভত গোচৰৰ আবেদনকাৰী অসম সন্মিলিত মহাসংঘৰ শীৰ্ষ নেতা মতিউৰ ৰহমানে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। শিৱসাগৰ জিলাৰ শিমলুগুৰিত এখন সংবাদ মেল সম্বোধন কৰি তেওঁ কয় যে, উচ্চতম্য ন্যায়ালয়ৰ এই ৰায় খিলঞ্জীয়াৰ বাবে সংকটৰ সৃষ্টি কৰিলে। খিলঞ্জীয়া জনগোষ্ঠীসমূহে এইক্ষেত্ৰত সিদ্ধান্ত ল'ব লাগিব বুলিও তেওঁ আহ্বান জনায়।

রাজ্যৰ বিৰোধী দলপতি তথা কংগ্রেছ নেতা দেবব্রত শইকীয়াই বিদেশী চিনাক্তকৰণৰ ৰায়দানক আদৰণি জনাই এইদৰে কয়-

**-বাইট-**

একেদৰে উচ্চতম ন্যায়ালয়ে বিদেশী নাগৰিকৰ চিনাক্তকৰণৰ ভিত্তিবৰ্ষ ১৯৭১ চন বাহাল ৰখাৰ সিদ্ধান্তক আদৰণি জনাই এ আই ইউ ডি এফ দলে আজি দলীয় কাৰ্যালয়ত উৎসৱ উদযাপন কৰে।

ইপিনে আম আদমী পাৰ্টিৰ ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰে উচ্চতম ন্যায়ালয়ৰ ৰায়লৈ আদৰণি জনাই প্রেছ বিজ্ঞপ্তিযোগে কৈছে যে, অসমৰ ৰাজনৈতিক ইতিহাসৰ কাৰণে আজি এটা গুৰুত্বপূৰ্ণ দিন আৰু আজিৰ এই ৰায়দানে দীৰ্ঘদিনীয়া বিদেশী নাগৰিকৰ সমস্যাৰ স্থায়ী সমাধানৰ পথ মুকলি কৰিলে।

ooooo

ধুবুৰী জিলাৰ ৰূপসী বিমানবন্দৰত নতুন সেৱা আৰম্ভ হোৱাৰ বাবে মুখ্যমন্ত্রী হিমন্ত বিশ্ব শৰ্মাই শুভেচ্ছা জনাইছে। এটা বাৰ্তাত মুখ্যমন্ত্রী শ্রীশৰ্মাই কয় যে, এই বিমান বন্দৰযোগে পশ্চিম অসমৰ অঞ্চলসমূহৰ বাবে সুন্দৰ সুযোগ সুবিধা সৃষ্টি কৰি গুৱাহাটী আৰু কলকাতালৈ পুনৰ সেৱা আগবঢ়াব। সূচল বিমান যাতায়তৰ বাবে ৰূপসীৰ পৰাই যাত্রীসকলে গুৱাহাটী আৰু কলকাতালৈ যাত্রা কৰিব পাৰিব বুলি তেওঁ কয়। ইফালে ৰাজ্যৰ হস্ততাঁত আৰু বস্তশিল্প মন্ত্রী উৰ্খাও গৌৰা ব্ৰহ্মাই আজি  ধুবুৰী জিলাৰ ৰূপসী বিমান বন্দৰৰ পৰা বিমান চলাচলৰ শুভাৰম্ভ কৰে। আজিৰে পৰা শুভাৰম্ভ হোৱা এই বিমান বন্দৰটোৰেদি গুৱাহাটীৰ পৰা ৰূপসী হৈ কলকাতা আৰু কলকাতাৰ পৰা ৰূপসী হৈ গুৱাহাটীলৈ সপ্তাহত ৩ দিন বিমান চলাচল কৰিব। উল্লেখযোগ্য যে উৰণ আঁচনিৰ অধীনত এলায়েন্স এয়াৰ নামৰ বিমান সন্থাই ৰূপসী বিমান বন্দৰৰ পৰা এই বিমানসেৱা চলাচলত নিয়োজিত হৈ আছে।

ooooo

মুখ্যমন্ত্রী হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত কেন্দ্রীয় মন্ত্রী চিৰাগ পাছোৱানৰ সৈতে ৰাজ্যৰ স্বাৰ্থজনিত বিভিন্ন বিষয়ত আলোচনা কৰে। এই বাৰ্তালাপত ৰাজ্যখনৰ নতুন খাদ্য প্রক্রিয়াকৰণ বিনিয়োগ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। এই সম্পৰ্কত মুখ্যমন্ত্রী শ্রীশৰ্মাই এই আলোচনাই অসমৰ বিকাশ আৰু উন্নয়নত বিশেষ অৰিহণা যোগাব বুলি আশা প্রকাশ কৰে।

ooooo

ৰাজ্যৰ পঞ্চায়ত আৰু গ্রামোন্নয়ন মন্ত্রী ৰণজিৎ কুমাৰ দাসে আজি বজালী জিলাৰ পুঠিমাৰীত শ্রীশ্রীলক্ষ্মী পূজাৰ ৰূপালী জয়ন্তী উৎসৱৰ সৈতে সংগতি ৰাখি উলিওৱা সাংস্কৃতিক শোভাযাত্রা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। নদিনীয়াকৈ অনুষ্ঠিত পূজা মহোৎসৱ উপলক্ষে এই বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাৰ আয়োজন কৰা হৈছে। সাংস্কৃতিক শোভাযাত্রাত অঞ্চলটোৰ বহু ব্যক্তি উপস্থিত থকাৰে লগতে বিভিন্ন সংস্কৃতি প্রদৰ্শন কৰা হয়। ইফালে জিলাখনৰ জালাহত ৯৫ সংখ্যক জালাহ আঞ্চলিক শ্রীশ্রীলক্ষ্মী পূজা উপলক্ষে উলিওৱা সাংস্কৃতিক শোভাযাত্রাটো বিধায়ক ফণীধৰ তালুকদাৰে উদ্বোধন কৰে। সাংস্কৃতিক শোভাযাত্রাত বিহু, বাগৰুম্বা, মহোহো, নাম প্রসংগকে ধৰি বিভিন্ন অনুষ্ঠান প্রদৰ্শন কৰা হয়।

ooooo

সদৌ অসম উকিল সন্থাৰ নৱনিৰ্বাচিত কাৰ্যনিৰ্বাহক কমিটিখনে আজি শপত গ্রহণ কৰে। উকিল সন্থাৰ প্রেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত পূৰ্বৰ সভাপতি ডেভিদ লাইজাৰে নৱনিৰ্বাচিত সভাপতি শৈলেন্দ্র দাসক দায়িত্বভাৰ অৰ্পন কৰে। লগতে পঞ্চমবাৰৰ বাবে সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত দীপক কুমাৰ দাসে নৱ নিৰ্বাচিত সভাপতিৰ সৈতে পুনৰবাৰ দায়িত্ব গ্রহণ কৰে। এই উপলক্ষে আয়োজিত সভাত প্ৰাক্তন আৰু বৰ্তমানৰ

সভাপতি দুগৰাকীয়ে সদৌ অসম উকিল সন্থাক অধিক গতিশীল কৰাৰ বাবে সকলোকে নিস্বাৰ্থভাৱে সেৱাত ব্ৰতী হ'বলৈ আহ্বান জনায়। সভাত জ্যেষ্ঠ অধিবক্তা বিজন কুমাৰ মহাজনকে ধৰি সন্থাৰ ন-পুৰণি বিষয়াসকল উপস্থিত থাকে।

০০০০০

গোলাঘাট জিলা প্ৰশাসনে পথ সুৰক্ষাৰ অন্যতম পদক্ষেপ হিচাপে নীতি বহিৰ্ভুতভাৱে হেলমেট নিপিন্ধাকৈ অহা মটৰ চাইকেল আৰোহীক খোলাকৈ পেট্ৰলজাত সামগ্ৰী বিক্ৰী কৰা কাৰ্য বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ উপৰি সকলো পেট্ৰল পাম্পত নো হেলমেট নো ফিউল বেনাৰ লগাবৰ বাবেও আদেশ জাৰি কৰিছে। এই আদেশ তাৎক্ষণিকভাৱে কাৰ্যকৰী কৰা হৈছে। জিলা প্ৰশাসনৰ তৰফৰ পৰা ৰাইজক নিজৰ বহুমুলীয়া জীৱনৰ সুৰক্ষাৰ স্বাৰ্থত দুচকীয়া বাহন চলাওতে হেলমেট পৰিধান কৰাৰ লগতে অন্যান্য পথ সুৰক্ষাৰ নিয়মসমূহ মানি চলিবলৈ অনুৰোধ জনাইছে।

০০০০০

সমগ্ৰ ৰাজ্যতে আজি কাতি বিহু পালন কৰা হৈছে। পথাৰৰ লখিমীক আদৰাৰ পূৰ্বে খেতি পথাৰত চাকি আৰু আকাশবন্তি জ্বলাই অসমৰ কৃষিজীৱী ৰাইজে কাতি বিহু উপলক্ষে সেৱা জনায়। আহিন আৰু কাতিৰ দোমাহীৰ দিনা কাতি বিহু পালন কৰি কৃষকসকলে শস্য শ্যামলা পথাৰৰ আশাৰে প্ৰাৰ্থনা জনায়। কাতি বিহু উপলক্ষে তুলসীৰ তলত বন্তি জ্বলোৱাৰ লগতে ভঁৰালঘৰ, গোহালি, পদূলি আদিত চাকি বন্তি জ্বলাই কৃষিজীৱী ৰাইজে মংগল কামনা কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাতি বিহুৰ সেৱা জ্ঞাপন কৰে। এটা বাৰ্তাত তেওঁ এই উৎসৱে সকলোৰে জীৱনলৈ সুখ-সমৃদ্ধি আৰু সুস্বাস্থ্য কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কাতি বিহু উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। একেদৰে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও কাতি বিহু উপলক্ষে শস্যশ্যামলা পথাৰত কৃষকৰ সপোন উজলি উঠাৰ আশাৰে ৰাজ্যবাসীক ওলগ জনাইছে।

ইফালে ৰাজ্য চৰকাৰৰ নিৰ্দেশমৰ্মে আজি কৃষি বিভাগৰ উদ্যোগত ৰাজ্যৰ সম-জিলা আৰু মহকুমাসমূহত কাতি বিহু পালন কৰা হয়। ইয়াৰ লগতে বিভাগীয় আঁচনিসমূহৰ সন্দৰ্ভত সজাগতা সভাৰো আয়োজন কৰা হয়। তদুপৰি কৃষি বিভাগে তুলসী তলত বন্তি প্ৰজ্বলন আৰু শৰাই দিয়াৰ লগতে পথাৰত আকাশবন্তি প্ৰজ্বলনৰ কাৰ্যসূচীও গ্ৰহণ কৰে।

কৃষিমন্ত্ৰী অতুল বৰাই কাতি বিহু উপলক্ষে কৃষক ৰাইজৰ মংগল কামনা কৰি **গোলাঘাট** জিলাৰ বোকাখাটৰ আহুগাঁও পথাৰত আকাশবন্তি প্ৰজ্বলন কৰে। পৰিবহণ, আবকাৰী আৰু মীন বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই **কলিয়াবৰৰ** পথাৰত কাতি বিহু উপলক্ষে আকাশবন্তি প্ৰজ্বলন কৰে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসেও বজালীৰ ৰায়পুৰ গাঁৱৰ ধাননি পথাৰত বন্তি প্ৰজ্বলন কৰি অসমৰ পথাৰসমূহ শস্য শ্যামলা হোৱাৰ কামনা কৰে।

আনহাতে **মাজুলী** জিলাৰ কেইবাখনো সত্ৰত আজিৰ পৰা এমাহজুৰি আকাশবন্তি প্ৰজ্বলন কৰা হ'ব। গড়মূৰ সত্ৰত বিশেষভাৱে বাঁহেৰে নিৰ্মাণ কৰা কাৰুকাৰ্যখচিত পিতলৰ পাত্ৰত বন্তি প্ৰজ্বলন কৰা হয়। দক্ষিণপাট আৰু আউনীআটি সত্ৰতো পৰম্পৰাগতভাৱে আকাশবন্তি প্ৰজ্বলন কৰা হয়। এই সন্দৰ্ভত মাজুলীৰ সংবাদদাতা বিকাশ শইকীয়াই এইদৰে কয়-

**ভইচ কাষ্ট**

একেদৰে শিৱসাগৰ, লখিমপুৰ, নগাঁও, মৰিগাঁও, গোৱালপাৰা, ধুবুৰী, কৰিমগঞ্জ আৰু বাক্সা আদি জিলাতো কাতি বিহু পালন কৰা বুলি আমাৰ সংবাদদাতা সকলে জনাইছে।

ইফালে সত্ৰনগৰী **বৰপেটাত** বিহুৰ দিনটোৰ পৰাই সম্পূৰ্ণ কাতি মাহটো সত্ৰ-নামঘৰ আৰু সত্ৰৰ হাটীপুৰত নাম প্ৰসংগৰে উদযাপন কৰা হ'ব। আজি ৰাখালথানত ইয়াৰ আৰম্ভণি কৰা হয়

০০০০০

ভাৰতৰ নিৰ্বাচন আয়োগে দেশৰ মুঠ ৪৮টা বিধানসভা সমষ্টি আৰু দুটা লোকসভা সমষ্টিৰ বাবে উপ-নিৰ্বাচনৰ দিন ঘোষণাৰ পৰিপ্ৰেক্ষিতত অসমকে ধৰি সংশ্লিষ্ট ৰাজ্যসমূহত নিৰ্বাচনৰ প্ৰস্তুতি আৰম্ভ হৈছে। দেশৰ ভিন ভিন ৰাজ্যৰ ৪৭টা বিধানসভা সমষ্টি আৰু ৱায়নাড লোকসভা সমষ্টিৰ বাবে অহা ১৩ নৱেম্বৰত আৰু উত্তৰাখণ্ডৰ এটা বিধানসভা সমষ্টিৰ লগতে মহাৰাষ্ট্ৰৰ এটা সংসদীয় সমষ্টিৰ বাবে ২০ নৱেম্বৰত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে অসমৰ ৫টা সমষ্টিত উপ নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে সমষ্টিকেইটাত বিজেপি, কংগ্ৰেছ, অগপ, এ আই ইউ ডি এফ, তৃণমূল কংগ্ৰেছ, বিপিএফ, ইউ পি পি এলকে ধৰি বিভিন্ন ৰাজনৈতিক দলৰ তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ধলাই, চিদলী, বঙাইগাঁও, বিহালী আৰু চামগুৰি সমষ্টিত খালী হোৱা বিধানসভাৰ আসন ৫ খনৰ বাবে অহা ১৩ নৱেম্বৰত উপ নিৰ্বাচন অনুষ্ঠিত হ'ব। সকলো ৰাজনৈতিক দলে নিজ নিজ দলৰ হৈ নিৰ্বাচনৰ প্ৰস্তুতি আৰম্ভ কৰিছে।

ইপিনে ৰাজ্য চৰকাৰৰ মন্ত্ৰী তথা অসম গণ পৰিষদৰ দলৰ সভাপতি অতুল বৰাই আসন্ন উপ নিৰ্বাচনত বঙাইগাঁও সমষ্টিৰ পৰা মিত্ৰজোঁটৰ সমৰ্থিত অগপৰ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলি প্ৰকাশ কৰিছে। নেতাগৰাকীয়ে এই সন্দৰ্ভত কালি বঙাইগাঁৱত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। আনহাতে চিদলী বিধানসভা সমষ্টিত মিত্ৰজোঁটৰ সমৰ্থিত ইউ পি পি এলৰ প্ৰাৰ্থীগৰাকীলৈ অগপ দলে পূৰ্ণ সমৰ্থন আগবঢ়াব বুলিও শ্ৰী বৰাই জানিবলৈ দিছে।

অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰাই এখন সংবাদমেল আয়োজন কৰি ৰাজ্যবাসী সন্মুখীন হোৱা বিভিন্ন সমস্যাক আগত লৈ উপ নিৰ্বাচনত ৰাইজৰ কাষ চাপিব বুলি প্ৰকাশ কৰে।

০০০০০

নিউজিলেণ্ডে ভাৰতৰ বিৰুদ্ধে বাংগালুৰুৰ এম ছিন্নস্বামী ষ্টেডিয়ামত অনুষ্ঠিত তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত শক্তিশালী স্থিতিত উপনীত হৈছে। ভাৰতে ৪৬ ৰানতে প্ৰথম ইনিংছ সামৰাৰ পাছত আলহী দল নিউজিলেণ্ডে  আজি দ্বিতীয় দিনৰ খেলৰ সামৰণিৰ পৰলৈকে প্ৰথম ইনিংছত ৩ টা উইকেট হেৰুৱাই ১৮০ ৰান সংগ্ৰহ কৰে। নিউজিলেণ্ড হাতত ৭টা উইকেট থকা অৱস্থাত ভাৰতৰ প্ৰথম ইনিংছতকৈ ১৩৪ ৰানত আগবাঢ়ি আছে। উল্লেখযোগ্য যে কালি বৰষুণৰ বাবে প্ৰথম দিনৰ খেল বাতিল কৰিবলগীয়া হৈছিল।

শৃংখলাৰ দ্বিতীয়খন খেল ২৪ৰ পৰা ২৮ অক্টোবৰলৈ পুণেৰ মহাৰাষ্ট্ৰ ক্ৰিকেট এছোচিয়েছন ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। তৃতীয় তথা অন্তিমখন খেল ১ৰ পৰা ৫ নৱেম্বৰলৈ মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত খেলোৱা হ'ব।

০০০০০

সমাপ্ত